**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

-----------------------

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে কোৱাড ৰাষ্ট্ৰ গোষ্ঠীয়ে ভাৰত-প্ৰশান্তমহাসাগৰীয় খণ্ডৰ প্ৰগতি আৰু সমৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

২। নেপালৰ ৰূপানদেহীৰ চলঝণ্ডীত আজি **সূৰ্যকিৰণ** শীৰ্ষক অষ্টাদশ ভাৰত-নেপাল সামৰিক অনুশীলন আৰম্ভ হৈছে।

৩। দিল্লী আৰক্ষীয়ে ৰাজধানী মহানগৰীখনৰ বিভিন্ন ঠাইত অভিযান চলাই ১২ জন বাংলাদেশী অনুপ্ৰৱেশকাৰীক আটক কৰিছে।

৪। অসম চৰকাৰে কাইলৈ নতুন বছৰৰ পহিলা দিনটোত ৰাজ্যখনৰ ৰাজধানী মহানগৰ গুৱাহাটীত কেইবাকোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এখন পদপথ সেঁতু আৰু অবিভক্ত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ আৰক্ষ মূৰ্তি ৰাইজৰ নামত উৎসৰ্গা কৰিব।

***আৰু***

৫। উত্তৰ-ভাৰতৰ বিভিন্ন ৰাজ্যত শীত প্ৰবাহ অব্যাহত আছে।

০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে কোৱাড ৰাষ্ট্ৰ গোষ্ঠীয়ে ভাৰত-প্ৰশান্তমহাসাগৰীয় খণ্ডৰ প্ৰগতি আৰু সমৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ড০ জয়শংকৰে এইখণ্ডৰ প্ৰয়োজনসমূহ পূৰণ কৰাৰ বাবে কোৱাড ৰাষ্ট্ৰ গোষ্ঠী বদ্ধপৰিকৰ বুলি উল্লেখ কৰে। কোৱাডৰ কুৰি সংখ্যক বাৰ্ষিকী উপলক্ষে কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ এটা যুটীয়া বিবৃতিত এই ৰাষ্ট্ৰ গোষ্ঠীয়ে বৰ্তমান ভাৰত প্ৰশান্ত মহাসাগৰীয় খণ্ডত ইয়াৰ অংশীদাৰসকলৰ সৈতে একেলগে কাম কৰিছে বুলি প্ৰকাশ কৰা হৈছে। এই ৰাষ্ট্ৰ গোষ্ঠীয়ে জলবায়ু পৰিৱৰ্তনৰ পৰা আৰম্ভ কৰি কৰ্কট ৰোগ আৰু অন্যান্য মহামাৰী প্ৰতিৰোধৰ বাবে গুণগত আন্তঃগাঁথনি নিৰ্মাণ, সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপ, চাইবাৰ সুৰক্ষা আদি প্ৰত্যাহ্বানসমূহৰ বিৰুদ্ধে কাম কৰি আছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। তদুপৰি ছুনামীত ক্ষতিগ্ৰস্ত ভাৰত-প্ৰশান্তমহাসাগৰীয় খণ্ডৰ লাখ লাখ লোকলৈ এই ৰাষ্ট্ৰ গোষ্ঠীৰ ৪০ হাজাৰৰো অধিক জৰুৰীকালীন স্বেচ্ছাসেৱী আৰু অন্যান্য অংশীদাৰে সহায়ৰ হাত আগবঢ়াই আহিছে। ২০০৪ চনত ভাৰত মহাসাগৰত হোৱা ভূমিকম্প আৰু ছুনামীত ক্ষতিগ্ৰস্ত লোকসকলক সহায় কৰাৰ উদ্দেশ্যে অষ্ট্ৰেলিয়া, ভাৰত, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰক লৈ কোৱাড ৰাষ্ট্ৰগোষ্ঠী গঠন কৰা হৈছিল।

০০০০০০

নেপালৰ ৰূপানদেহীৰ চলঝণ্ডীত আজি **সূৰ্যকিৰণ** শীৰ্ষক অষ্টাদশ ভাৰত-নেপাল সামৰিক অনুশীলন আৰম্ভ হৈছে। এই যুটীয়া সামৰিক অনুশীলনে অৰণ্যত যুদ্ধ, কঠিন ভৌগোলিক অঞ্চলত সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়া আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত মানৱীয় সাহায্য প্ৰদানৰ লগতে অন্যান্য বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। দুসপ্তাহজোৰা এই সামৰিক অনুশীলনত ভাৰতীয় স্থল সেনাৰ একাদশ গোৰ্খা ৰাইফল আৰু নেপালী সেনাৰ শ্ৰী জাং বেটেলিয়নে অংশগ্ৰহণ কৰিছে। এই যুটীয়া সামৰিক অনুশীলনৰ দ্বাৰা ভাৰত আৰু নেপালৰ মাজৰ ব্যৱসায়িক সহযোগিতা, বন্ধুত্বপূৰ্ণ সম্পৰ্ক আৰু আস্থা বৃদ্ধি হোৱাৰ লগতে সাংস্কৃতিক সম্পৰ্ক অধিক প্ৰসাৰিত হ'ব বুলি আশা কৰা হৈছে। এই যুটীয়া অনুশীলনৰ সপ্তদশ সংস্কৰণ যোৱা বছৰ পিথোৰাগড়ত অনুষ্ঠিত হৈছিল।

০০০০০০

দিল্লী আৰক্ষীয়ে ৰাজধানী মহানগৰীখনৰ বিভিন্ন ঠাইত অভিযান চলাই ১২ জন বাংলাদেশী অনুপ্ৰৱেশকাৰীক আটক কৰিছে। দিল্লীৰ নিজামুদ্দিন, কালিন্দীকুঞ্জ, শ্বাহীনবাগ আৰু চৰিতাবিহাৰ অঞ্চলত চলোৱা এই অভিযানৰ বিষয়ে জানিবলৈ দি দিল্লী আৰক্ষীয়ে লগতে প্ৰকাশ কৰা মতে কেউজন অনুপ্ৰৱেশকাৰীকে ডিটেনচন কেম্পলৈ প্ৰেৰণ কৰা হৈছে। দক্ষিণ-পূব দিল্লীৰ উপ-আৰক্ষী আয়ুক্ত ৰবি কুমাৰ সিঙে লগতে কয়, যে এই অভিযানৰ সময়ত মহানগৰীখনৰ বিভিন্ন অঞ্চলত বসবাস কৰা প্ৰায় এহেজাৰ ২০০ গৰাকী নাগৰিকৰ নথি-পত্ৰ আৰক্ষীয়ে পৰীক্ষা কৰিছে।

০০০০০০

অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ২০২৪ বৰ্ষৰ গড় নিধন ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰাৰ লগতে ৰাষ্ট্ৰীয় উদ্যানখনত এইবাৰ পৰ্যটকৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ উদ্ধৃতি দি আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে এই বছৰটোত চোৰাং চিকাৰীৰ হাতত দুটা গড় নিধন হোৱাৰ বিপৰীতে ২৪ জন চোৰাং চিকাৰীক আটক কৰা হৈছে। এই বৰ্ষত ৰাষ্ট্ৰীয় উদ্যানখনৰ সুৰক্ষাৰ বাবে ১২৫জন বনকৰ্মীক নিয়োগ কৰা হয়। গড় সুৰক্ষাৰ বাবেও দুটা বিশেষ বাহিনীক নতুনকৈ নিয়োগ কৰা হয়। পৰ্যটনৰ ক্ষেত্ৰত এইবছৰৰ অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ মাহৰ ভিতৰত দুই লাখ ২০ হাজাৰ দেশী-বিদেশী পৰ্যটকৰ উদ্যানখনলৈ আগমন ঘটিছে আৰু ৫ কোটি ৭০ লাখ টকা আয় হৈছে। এই বছৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰ্যটনৰ ক্ষেত্ৰত কেইবাটাও নতুন দিশৰ সংযোজন ঘটোৱা হৈছে বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০০

দিল্লী বিধানসভাৰ নিৰ্বাচন চমু চাপি অহাৰ সময়তে দিল্লীত ৰাজনৈতিক কাৰ্যকলাপ ক্ৰমান্বয়ে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। দিল্লী বিজেপিয়ে আম আদমী পাৰ্টী চৰকাৰক লক্ষ্য হিচাপে লৈ ঠায়ে ঠায়ে পোষ্টাৰ লগাই শাসকীয় দলটোক সমালোচনা কৰিছে। দিল্লী বিজেপি কাৰ্যালয়ৰ আশে-পাশে লগোৱা এনে পোষ্টাৰত ৰাজধানী মহানগৰীখনক দুৰ্নীতি আৰু অপশাসনে চানি ধৰা বুলি অভিযোগ কৰা হৈছে। একেদৰে বায়ু প্ৰদূষণ, চিকিৎসা আৰু পানীৰ সমস্যাকে ধৰি ভালেমান বিষয়ক লৈ শাসকীয় দলটোৰ বিৰুদ্ধে বিজেপি সৰৱ হৈ পৰা দেখা গৈছে।

আনহাতে বিজেপিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগৰ এটা নিৰ্দেশনাক লৈ আম আদমী পাৰ্টীক কঠোৰ সমালোচনা কৰে। শিশুৰ অংশগ্ৰহণেৰে আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱাল আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী আতিশিয়ে চলোৱা ৰাজনৈতিক প্ৰচাৰ অভিযান সামাজিক মাধ্যমৰ মঞ্চ এক্সৰ পৰা প্ৰত্যাহাৰ কৰাৰ বাবে

আয়োগে দিয়া নির্দেশক লৈ দলীয় মুখপাত্রগৰাকী শাসকীয় দলটোৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে। আপৰ নেতৃবৰ্গই তেওঁলোকৰ ৰাজনৈতিক স্বাৰ্থৰ বাবে শিশুসকলক ব্যৱহাৰ কৰা বুলি শ্ৰী ভাটিয়াই  নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত অভিযোগ কৰে।

০০০০০০

অসম চৰকাৰে কাইলৈ নতুন বছৰৰ পহিলা দিনটোত ৰাজ্যখনৰ ৰাজধানী মহানগৰ গুৱাহাটীত কেইবাকোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এখন পদপথ সেঁতু আৰু অবিভক্ত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ আৰক্ষ মূৰ্তি ৰাইজৰ নামত উৎসৰ্গা কৰিব। গুৱাহাটী মহানগৰীৰ পল্টন বজাৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ জি এছ ৰোডৰ ওপৰত প্ৰায় ১৬ কোটি ৬৭ লাখ টকা ব্যয়ৰে  নিৰ্মাণ কৰা অত্যাধুনিক পদপথ সেঁতুখনে গুৱাহাটী ৰে'ল ষ্টেচনলৈ যাবলগীয়া পথচাৰীসকলৰ যাত্ৰা সুগম কৰিব। এই সেতুখনত দিব্যাংগসকলৰ বাবে লিফ্‌ট আৰু মহিলা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে এস্কেলেটৰৰ সুবিধা ৰখা হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ পুৱাৰ ভাগত এই পদসেঁতুখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ ভাৰতৰত্ন সন্মানেৰে সন্মানিত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সমাধি-শান্তিস্থলত নিৰ্মাণ কৰা বৰদলৈ দেৱৰ আৰক্ষ প্ৰতিমূৰ্তি আৰু নতুন পুথিভঁৰাল ভৱনো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উল্লেখযোগ্য যে গুৱাহাটী মহানগৰীৰ শিলপুখুৰী নৱগ্ৰহ শ্মশানৰ দাঁতিতে লাগি থকা এই শান্তিস্থলৰ পুনৰ নিৰ্মাণৰ বাবে অসম চৰকাৰে প্ৰায় এক কোটি ২৬ লাখ টকা ব্যয় কৰিছে।

০০০০০০

বাংলাদেশৰ গৃহ পৰিক্ৰমা বিভাগৰ উপদেষ্টা অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল মহম্মদ জাহাংগীৰ আলম চৌধৰীয়ে কয়, যে চৰকাৰে দেশখনত নতুনকৈ অহা ৰহিংগীয়া শৰণাৰ্থীসকলৰ পঞ্জীকৰণৰ ক্ষেত্ৰত এতিয়ালৈকে কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। তেওঁ লগতে এই শৰণাৰ্থীসকলক বাংলাদেশত আশ্ৰয় প্ৰদান কৰাৰ ক্ষেত্ৰতো কোনো সিদ্ধান্ত লোৱা হোৱা নাই বুলি স্পষ্ট কৰি দিয়ে। ম্যানমাৰৰ টেকনাফ সীমান্ত ভ্ৰমণ কৰি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত উপদেষ্টা গৰাকীয়ে কয়, যে বাংলাদেশ চৰকাৰে ম্যানমাৰ চৰকাৰ আৰু আৰাকান সেনাৰ সৈতে সীমান্ত অঞ্চলত উগ্ৰপন্থী গোটসমূহ নিয়ন্ত্ৰণ কৰাৰ বাবে সঘনে আলোচনা কৰি আহিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ডিজি যাত্ৰাৰ তথ্যৰ সহায়ত কৰ ফাঁকি দিয়া লোকসকলক দমন কৰা হ'ব বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰিক ভিত্তীহীন আখ্যা দিছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ এটা সূত্ৰই স্পষ্ট কৰি দিছে যে ডিজি যাত্ৰা সন্দৰ্ভত সম্প্ৰচাৰিত এনে প্ৰতিবেদন ভুৱা আৰু ভিত্তিহীন। মন্ত্ৰালয়ে লগতে আয়কৰ বিভাগৰ সৈতে ডিজি যাত্ৰাৰ যাত্ৰীসকলৰ কোনো তথ্য ভাগ-বতৰা কৰা হোৱা নাই বুলিও স্পষ্টীকৰণ দিছে। ডিজি যাত্ৰা এপটোৱে আত্ম-সাৰ্বভৌম পৰিচয় ধাৰণাক অনুসৰণ কৰে, য'ত যাত্ৰীসকলৰ তথ্য আৰু ভ্ৰমণ সম্পৰ্কীয় প-পত্ৰসমূহ কেৱল ব্যৱহাৰকাৰীৰ ডিভাইচতহে উপলব্ধ হয়। যদি কোনো ব্যৱহাৰকাৰীয়ে ডিজি যাত্ৰা এপটো আনইনষ্টল কৰে তেন্তে ইয়াৰ সকলো তথ্য সম্পূৰ্ণৰূপে ডিলিট হৈ যায় বুলিও মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে। ডিজি যাত্ৰা কেৱল ঘৰুৱা যাত্ৰীসকলৰ বাবেহে প্ৰস্তুত কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় যাত্ৰীৰ

ক্ষেত্ৰত ডিজিযাত্ৰা এপ প্ৰযোজ্য নহয়। ডিজি যাত্ৰা হৈছে দেশৰ বিভিন্ন বিমানবন্দৰত সংস্পৰ্শবিহীনভাৱে যাত্ৰীসকলক চিনাক্তকৰণ কৰি প্ৰৱেশৰ অনুমতি প্ৰদান কৰা এটা উত্তম প্ৰযুক্তি।

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে আজি নিশা ৮ বজাৰ পৰা **২০২৪ বৰ্ষ আৰু ইয়াৰ বৈ যোৱা স্মৃতি** সন্দৰ্ভত এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। ইংৰাজীত প্ৰচাৰ হ'বলগীয়া এই অনুষ্ঠানটি এফ এম গোল্ড চেনেলত ১০০ দশমিক ১ মেগাহাৰ্টজত আৰু আকাশবাণীৰ অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। ইয়াৰ লগতে আকাশবাণীৰ ৱেবছাইট NEWS ON AIR DOT GOV DOT IN আৰু আমাৰ ইউটিউব চেনেল AKASHVANI AIR আৰু NEWS ON AIR OFFICIAL তো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০০০

উত্তৰ-ভাৰতৰ বিভিন্ন ৰাজ্যত শীত প্ৰবাহ অব্যাহত আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ আগলী বতৰা অনুসৰি জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশত অহা দুদিনলৈ শীত প্ৰবাহ অব্যাহত থাকিব। হাৰিয়ানা আৰু চণ্ডীগড়ত আজি জাৰৰ প্ৰকোপ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে লগতে প্ৰকাশ কৰিছে। ৰাজধানী দিল্লী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহতো শীতৰ প্ৰকোপ বৃদ্ধি পাইছে। দিল্লীৰ কিছু অংশত যোৱা নিশা সৰ্বনিম্ন তাপ মাত্ৰা আছিল ৮ ডিগ্ৰী চেলচিয়াছ।

০০০০০০

সমাপ্ত